**NSD NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 18-11-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে, ভাৰতে এতিয়া নিজৰ সুবিধাজনক স্থিতিৰ পৰা বাহিৰলৈ ওলাই আহিছে, উদ্ভাৱনক আকোৱালি লৈছে আৰু উন্নয়নৰ নতুন পথ মুকলি কৰিছে।

২। ব্ৰাজিলৰ ৰিঅ' ডি জেনেৰিঅ'ত আজি ১৯ সংখ্যক জি-২০ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ৰিঅ'ত উপস্থিত হৈছে।

৩। আয়ুষ্মান বয়োজ্যেষ্ঠ বন্দনা কাৰ্ডে ৭০ বছৰৰ উৰ্ধৰ ১০ লাখতকৈও অধিক জ্যেষ্ঠ নাগৰিকৰ নাম পঞ্জীয়ন কৰি উল্লেখযোগ্য মাইলৰ খুঁটি অৰ্জন কৰিছে।

*আৰু*

৪। এছিয়ান গেমছ ছেম্পিয়ন জ্যোতি সুৰেশা ৱেন্নামে লাক্সেমবাৰ্গত অৱস্থিত জি টি অ'পেন আৰ্চাৰী প্ৰতিযোগিতাৰ মহিলাৰ কম্পাউণ্ড শাখাত সোণৰ পদক অৰ্জন কৰিছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে, ভাৰতে এতিয়া নিজৰ সুবিধাজনক স্থিতিৰ পৰা বাহিৰলৈ ওলাই আহিছে, উদ্ভাৱনক আকোৱালি লৈছে আৰু উন্নয়নৰ নতুন পথ মুকলি কৰিছে, যি ভাৰতৰ পৰিচয়ৰ চিহ্ন হৈ পৰিছে। নাইজেৰিয়াৰ ৰাজধানী আবুজাত প্ৰবাসী ভাৰতীয়সকলক সম্বোধন কৰি শ্ৰী মোদীয়ে কয়, যে বিকশিত ভাৰত গঢ়ি তোলাৰ লক্ষ্যৰে ভাৰতে এক নতুন যাত্ৰা আৰম্ভ কৰিছে। তেওঁৰ চৰকাৰৰ সাফল্যৰ ওপৰত আলোকপাত কৰি শ্ৰী মোদীয়ে কয় যে ভাৰতৰ ডেৰ লাখতকৈও অধিক পঞ্জীয়নভুক্ত ষ্টৰ্টআপ আছে। তেওঁ লগতে কয়, যে যোৱাটো দশকত ১০০ ৰো অধিক ইউনিকৰ্ন গঢ়ি তোলা হৈছে যিটো ভাৰতীয় ষ্টাৰ্টআপ সংস্কৃতিৰ সফলতাৰ প্ৰমাণ। শ্ৰী মোদীয়ে কয়, যে যোৱা দশকত ভাৰতে মুঠ ঘৰুৱা উৎপাদনত দুই লাখ কোটি ডলাৰ অন্তৰ্ভুক্ত কৰিছে। প্ৰধানমন্ত্ৰীয়ে কয়, যে মহাকাশ উদ্যোগত ভাৰতৰ অগ্ৰগতিক এতিয়া সমগ্ৰ বিশ্বই প্ৰশংসা কৰে। গগণ যানৰ জৰিয়তে অতি সোনকালে মহাকাশলৈ ভাৰতীয় লোকক প্ৰেৰণ কৰা হ'ব বুলি জানিবলৈ দি প্ৰধানমন্ত্ৰীয়ে কয়, যে ভাৰতেও মহাকাশত নিজৰ মহাকাশ কেন্দ্ৰ নিৰ্মাণ কৰিব ওলাইছে। ভাৰতৰ প্ৰতিৰক্ষা ৰপ্তানি প্ৰায় ৩০ গুণ বৃদ্ধি পাইছে বুলিও তেওঁ প্ৰকাশ কৰে। নাইজেৰিয়াৰ ভাৰতীয় সম্প্ৰদায়ক প্ৰশংসা কৰি শ্ৰী মোদীয়ে কয় যে, বহু ভাৰতীয় কোম্পানীয়ে আফ্ৰিকীয় দেশখনৰ অৰ্থনীতি শক্তিশালী কৰি তুলিছে। প্ৰধানমন্ত্ৰীয়ে কয়, যে ভাৰতে শান্তি, সমৃদ্ধি আৰু গণতন্ত্ৰ সন্নিৱিষ্ট কৰি বিশ্বৰ বাবে এক নতুন আশা হিচাপে আত্মপ্ৰকাশ কৰিছে। তেওঁ কয়, যে বিশ্বই যেতিয়াই কোনো প্ৰত্যাহ্বানৰ সন্মুখীন হয়, তেতিয়াই ভাৰত বিশ্ব বন্ধু বা গোলকীয় মিত্ৰৰ ৰূপে সহযোগিতা কৰাৰ ক্ষেত্ৰত সদায় প্ৰথম স্থান থাকে। কোভিড-১৯ মহামাৰীৰ সময়ত যেতিয়া সমগ্ৰ বিশ্বৰ দেশসমূহক প্ৰতিষেধকৰ প্ৰয়োজন হৈছিল তেতিয়া ভাৰতে দেশসমূহক প্ৰকিষেধক উপলব্ধ কৰোৱাত আগভাগ লৈছিল। শ্ৰীমোদীয়ে নাইজেৰিয়াই তেওঁক গ্ৰেণ্ড কমাণ্ডাৰ অৱ দ্যা অৰ্ডাৰ অৱ দ্যা নাইজাৰ সন্মানেৰে বিভূষিত কৰাৰ বাবে দেশখনৰ ৰাষ্ট্ৰপতিগৰাকীক ধন্যবাদ জনায়। তেওঁ কয় যে এই সন্মান কেৱল তেওঁৰ বাবে নহয় বৰং সমগ্ৰ ভাৰতবাসীৰ বাবে। এই সন্মান ভাৰত আৰু নাইজেৰিয়াৰ মাজৰ দীৰ্ঘদিনীয়া সম্পৰ্কৰ ফচল বুলি প্ৰধানমন্ত্ৰীয়ে লগতে উল্লেখ কৰে।

০০০০০০

ব্ৰাজিলৰ ৰিঅ' ডি জেনেৰিঅ'ত আজি ১৯ সংখ্যক জি-২০ শীৰ্ষ সন্মিলন আৰম্ভ হৈছে। কিছু সময় পূৰ্বে এই সন্মিলনত ভাগ লোৱাৰ উদ্দেশ্যেৰে ৰিঅ'ত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকপ্ৰবাসী ভাৰতীয়সকলে উষ্ম আদৰণি জনায়। শ্ৰীমোদী, আমেৰিকা ৰাষ্ট্ৰপতি জ' বাইডেন আৰু চীনৰ ৰাষ্ট্ৰপতি জি জিনপিং হৈছে জি-২০ সন্মিলনত আজি আৰু কাইলৈ অংশগ্ৰহণ কৰিবলগীয়া নেতাসকলৰ মাজৰ অন্যতম।

উল্লেখযোগ্য যে ভাৰত, ব্ৰাজিল আৰু দক্ষিণ আফ্ৰিকা জি-২০ ট্ৰোইকাৰ অংশ আৰু দেশ তিনিখনে জি-২০ শীৰ্ষ সন্মিলনৰ আলোচনাত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি আহিছে। সন্মিলনত প্ৰধানমন্ত্ৰী মোদীয়ে বিভিন্ন গোলকীয় বিষয়ত ভাৰতৰ স্থিতিৰ বিষয়ে অৱগত কৰিব আৰু জি-২০ নতুন দিল্লী ঘোষণাপত্ৰ অনুসৰি লোৱা পদক্ষেপৰ লগতে ভাৰতে যোৱা কেইটামান বছৰত আয়োজন কৰা ভইচ অব দ্যা গ্লোবেল ছাউথ সন্মিলনৰ লাভালাভ সম্পৰ্কে আলোচনা কৰিব। এই সন্মিলন অতি গুৰুত্বপূৰ্ণ কাৰণ ভাৰতে যোৱা বছৰ অগ্ৰাধিকাৰ দিয়া বিষয়সমূহ ইয়াত আগবঢ়াই লৈ যোৱা হ'ব ।

000000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি মণিপুৰৰ সাম্প্ৰতিক পৰিস্থিতি পৰ্যালোচনা কৰাৰ উদ্দেশ্যেৰে এখন বিশেষ বৈঠকত অংশগ্ৰহণ কৰাৰ কথা আছে। উল্লেখযোগ্য যে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কালি নতুন দিল্লীত অনুষ্ঠিত এখন বৈঠকত জ্যেষ্ঠ বিষয়াসকলৰ সৈতে মণিপুৰৰ সাম্প্ৰতিক পৰিস্থিতি বিষয়ে আলোচনা কৰে।

গৃহমন্ত্ৰীগৰাকীয়ে কালিৰ বৈঠকত কয় যে মণিপুৰলৈ শান্তি-শৃংখলা ওভতাই অনাৰ উদ্দেশ্যে নিৰাপত্তা বাহিনীসমূহক যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। বিগত কিছুদিন ধৰি ৰাজ্যখনত শান্তি আৰু নিৰাপত্তা বিঘ্নিত হোৱাৰ পৰিপ্ৰেক্ষিতত গৃহ মন্ত্ৰালয়ে এটা বিবৃতিৰ জৰিয়তে প্ৰকাশ কৰিছে যে ৰাজ্যখনত সংঘৰ্ষৰ সৈতে জড়িত হৈ থকা দুয়োটা সম্প্ৰদায়ৰ সশস্ত্ৰ দুৰ্বৃত্তই হিংসাত লিপ্ত হৈ ৰাজ্যখনৰ শান্তি-শৃংখলা ভংগ কৰাৰ লগতে বহু নিৰিহ লোকক হত্যা কৰিছে। হিংসাত্মক কাৰ্যকলাপত জড়িত হৈ থকাসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি বিবৃতিটোত প্ৰকাশ কৰা হয়। গুৰুত্বপূৰ্ণ অভিযোগ সমূহ অনুসন্ধানৰ বাবে নিয়ালৈ হস্তান্তৰ কৰা হৈছে। তদুপৰি, ৰাজ্যখনৰ জনসাধাৰণলৈ শান্তি বৰ্তাই ৰখাৰ লগতে উৰা-বাতৰিক বিশ্বাস নকৰিবলৈ তথা শান্তি-শৃংখলা বজাই ৰখাত নিৰাপত্তা বাহিনীৰ প্ৰতি সহযোগিতা কৰিবলৈ আহ্বান জনোৱা হৈছে।

000000

মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰৰ আজি অন্তিম দিন। বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলে ভোটাৰৰ সমৰ্থন লাভ কৰিবলৈ সৰ্বাত্মক প্ৰচেষ্টা চলাই আছে। ৰাজ্যখনত পৰহিলৈ ভোটগ্ৰহণ অনুষ্ঠিত হোৱাৰ বিপৰীতে অহা ২৩ নৱেম্বৰত ভোট গণনা অনুষ্ঠিত হ'ব।

কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি গণ্ডিয়া আৰু নাগপুৰত প্ৰচাৰ চলোৱাৰ বিপৰীতে বিজেপিৰ সভাপতি জে পি নাড্ডাই থানে, ছোলাপুৰ আৰু আহমেদনগৰত অনুষ্ঠিত ৰাজহুৱা সভাত ভাষণ দিব।

ইফালে কংগ্ৰেছৰ নেতা ৰাহুল গান্ধীয়ে মুম্বাইত এখন সংবাদ মেল সম্বোধন কৰে। কংগ্ৰেছ নেতাগৰাকীয়ে অভিযোগ উত্থাপন কৰে যে শাসকীয় মহাজোঁটৰ চৰকাৰখনে আন ৰাজ্যৰ পৰা ৭ লাখ কোটি টকাৰ কেইবাটাও প্ৰকল্প হেৰুৱাইছে যাৰ ফলত মহাৰাষ্ট্ৰৰ যুৱক-যুৱতীসকল ৫ লাখ চাকৰিৰ সুবিধাৰ বঞ্চিত হৈছে। মুম্বাইৰ বান্দ্ৰা-কুৰলা কমপ্লেক্সত অনুষ্ঠিত সংবাদমেলখনত শ্ৰী গান্ধীয়ে কয়, যে নিয়োগ, মুদ্ৰাস্ফিতী, মহিলাৰ সমস্যা আৰু মহাৰাষ্ট্ৰৰ সম্পদসমূহ যাতে ইয়াৰ জনসাধাৰণ ওচৰলৈ ঘূৰাই আনিব পাৰি সেয়া নিশ্চিত কৰাটোৰে আগন্তুক বিধানসভা নিৰ্বাচনৰ মূল বিষয় হোৱা উচিত।

এন চি পিৰ নেতা সুপ্ৰীয়া ছুলেই ছ'লাপুৰ আৰু পুনেত নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ বিপৰীতে এন চি পিৰ মুৰববী শাৰদ পাৱাৰে পুনে আৰু আহমেদনগৰত আৰু এম ভি এৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব। আনহাতে এন চি পিৰ মুৰববী অজিত পাৱাৰে অস্তি, ফল্টান, ইন্দাপুৰ আৰু বাৰামটিত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব।

000000

নতুনকৈ মুকলি কৰা আয়ুষ্মান বয়োজ্যেষ্ঠ বন্দনা কাৰ্ডে ৭০ বছৰ আৰু ইয়াৰ উৰ্দ্ধৰ ১০ লাখতকৈও অধিক জ্যেষ্ঠ নাগৰিকৰ নাম পঞ্জীয়ন কৰি উল্লেখযোগ্য মাইলৰ খুঁটি অৰ্জন কৰিছে। এই কাৰ্ডৰ জৰিয়তে আয়ুষ্মাণ ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত

বয়োজ্যেষ্ঠ নাগৰিকসকলে বিনামূলীয়া স্বাস্থ্যসেৱাৰ সুবিধা লাভ কৰিব। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে কৈছে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা ২৯ অক্টোবৰত এই সুবিধা মুকলি কৰাৰ তিনি সপ্তাহৰ ভিতৰতে আঁচনিখনে এই মাইলৰ খুঁটি অৰ্জন কৰিছে।

আয়ুষ্মান বয়োজ্যেষ্ঠ বন্দনা কাৰ্ডৰ অধীনত প্ৰায় ৪ লাখ মহিলাই নিজৰ নাম পঞ্জীয়ন কৰিছে। এই আঁচনিৰ অধীনত বৰ্তমানলৈকে ৯ কোটিতকৈও অধিক টকা ব্যয় কৰা হৈছে আৰু ইয়াৰ দ্বাৰা এহেজাৰ ৪০০ৰো অধিক মহিলাসহ ৭০ বছৰৰ উৰ্ধৰ চাৰি হাজাৰ ৮০০ গৰাকীৰো অধিক হিতাধিকাৰী উপকৃত হৈছে।

উল্লেখযোগ্য যে চলিত বৰ্ষৰ ছেপ্তেম্বৰ মাহত কেন্দ্ৰীয় মন্ত্ৰীসভাই প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ সম্প্ৰসাৰণত অনুমোদন জনাইছিল। যাৰ দ্বাৰা ৭০ বছৰৰ উৰ্ধৰ বয়োজ্যেষ্ঠ নাগৰিকসকলৰ স্বাস্থ্য বীমাৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল। এই পদক্ষেপৰ দ্বাৰা ৪ কোটি ৫০ লাখ পৰিয়ালৰ প্ৰায় ৬ কোটি জ্যেষ্ঠ নাগৰিকক সামৰি লোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

০০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **জীৱিত থকাৰ ডিজিটেল প্ৰমাণপত্ৰ** এই সন্দৰ্ভত পেন্সন আৰু পেন্সনাৰ কল্যাণ বিভাগৰ যুটীয়া সচিব ধ্ৰুৱজ্যোতি শ্বেনগুপ্ত আৰু প্ৰতিৰক্ষা লেখা বিভাগৰ যুটীয়া মহানিয়ন্ত্ৰক মলি শ্বেনগুপ্তৰ সৈতে হোৱা এটা বিশেষ আলোচনা সম্প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি সমল ব্যক্তিদ্বয়ক এই সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে লগতে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব অথবা হেষ্টটেগ AskAir যোগে সামাজিক মাধ্যম X-ত প্ৰশ্ন সুধিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহৰ যোগেদি এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। শ্ৰোতাসকলে আমাৰ ৱেৱছাইট newsonair.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

০০০০০০

এছিয়ান গেমছ ছেম্পিয়নত ভাৰতৰ জ্যোতি সুৰেশা ৱেন্নামে লাক্সেমবাৰ্গত অৱস্থিত জি টি অ'পেন আৰ্চাৰী প্ৰতিযোগিতাৰ মহিলাৰ কম্পাউণ্ড শাখাত সোণৰ পদক অৰ্জন কৰিছে। প্ৰথমবাৰৰ বাবে জি টি অ'পেনত অংশগ্ৰহণ কৰি জ্যোতিয়ে উন্নত মানৰ প্ৰদৰ্শনেৰে কালি বেলজিয়ামৰ ছাৰাহ প্ৰিলছক ১৪৭-১৪৫ ফলাফলত পৰাস্ত কৰি খিতাপ দখল কৰে।

ইফালে, পুৰুষৰ কম্পাউণ্ড শাখাত ভাৰতৰ অভিষেকে ৰূপৰ পদক দখল কৰিছে। নেদাৰলেণ্ডছৰ মাইক শ্ল'ছাৰে অভিষেকক অতি কম ব্যৱধানত পৰাস্ত কৰি সোণৰ পদক অৰ্জন কৰে।

০০০০০০

সমাপ্ত